**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-05-2025
**Time :** 0705 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত পদ্ম সন্মান প্ৰদানৰ দ্বিতীয় পৰ্যায়ৰ অনুষ্ঠানত ৬৯ গৰাকী ব্যক্তিক এই সন্মানেৰে বিভূষিত কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতক সম্পূৰ্ণ ৰূপে উন্নত দেশ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰ বিষয়ে পুনৰ দৃঢ়তাৰে উল্লেখ কৰে।

৩। দেশত আজিৰে পৰা বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ হ'ব।

৪। ডি এম কেৰ সাংসদ কানিমুড়ি কৰুণানিধিৰ নেতৃত্বৰ সৰ্বদলীয় প্ৰতিনিধি দলে কালি গ্ৰীচৰ শীৰ্ষ বিষয়াসকলক সাক্ষাৎ কৰি সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ নব্য নীতিত আলোকপাত কৰে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৱে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে।

oooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত আয়োজিত পদ্ম সন্মান প্ৰদানৰ দ্বিতীয় পৰ্যায়ৰ অনুষ্ঠানত ৬৯ গৰাকী ব্যক্তিক এই সন্মানেৰে বিভূষিত কৰে। অনুষ্ঠানত ৩ গৰাকী ব্যক্তিক পদ্ম বিভূষণ, ৯ গৰাকীক পদ্ম ভূষণ আৰু ৫৭ গৰাকীক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা হয়। প্ৰাক্তন মুখ্য ন্যায়াধীশ জগদীশ সিং খেহৰ আৰু কুমুদনি ৰজনীকান্ত লাখিয়াক ৰাজহুৱা পৰিক্ৰমা আৰু কলা ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে পদ্ম বিভূষণ সন্মানেৰে বিভূষিত কৰা হয়। প্ৰসিদ্ধ লোক গায়িকা সাৰদা সিনহাক মৰনোত্তৰভাৱে এই সন্মান প্ৰদান কৰা হয়। পদ্মভূষণ সন্মানেৰে বিভূষিত ব্যক্তিসকলৰ ভিতৰত অসমৰ খ্যাতনামা নৃত্য শিল্পী নৃত্যাচাৰ্য্য যতীন গোস্বামী, কৈলাশ নাথ দীক্ষিত, সাধবী ৰিতমভৰা অন্যতম। বিশিষ্ট অৰ্থনীতিবিদ বিবেক দেৱৰায়ক মৰনোত্তৰভাৱে এই সন্মানেৰে বিভূষিত কৰা হয়। পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰাসকলৰ ভিতৰত মান্দা কৃষ্ণা মাদিগা, ড০ নীৰজা ভাটলা, সন্ত ৰাম দেশৱাল, ছয়ীদ আইনুল হাছান, প্ৰশান্ত প্ৰকাশ আৰু নগেন্দ্ৰনাথ ৰয় অন্যতম।

ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত অনুষ্ঠিত প্ৰথম অসামৰিক অলংকৰন সমাৰোহত ৭১গৰাকী বিশিষ্ট ব্যক্তিক পদ্ম সন্মান প্ৰদান কৰিছিল।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতক সম্পূৰ্ণ ৰূপে উন্নত দেশ হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰ বিষয়ে পুনৰ দৃঢ়তাৰে উল্লেখ কৰে। শ্ৰীমোদীয়ে স্বাধীনতা আন্দোলনৰ সৈতে এই বিষয়টো তুলনা কৰি কয় যে যদিহে আমাৰ পূৰ্বৰ প্ৰজন্মই ২০ৰ পৰা ৩৫ বছৰৰ ভিতৰত দেশৰ পৰা ব্ৰিটিছৰ শাসন

ওফৰাই দিবলৈ সমৰ্থ হৈছিল, তেনেহলে বৰ্তমানৰ ১৪০ কোটি নাগৰিকে অহা ২৫ বছৰৰ ভিতৰত উন্নত ভাৰতৰ সপোন অনুধাৱন কৰিবলৈ সমৰ্থ হ'ব। গান্ধী নগৰত কালি গুজৰাট আৰবান গ্ৰ'থ ষ্টৰীৰ ২০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক বিকাশ সন্দৰ্ভত আলোকপাত কৰে। তেওঁ লগতে দেশে আন্তঃৰাষ্ট্ৰীয় প্ৰতিদ্বন্দীসকলক পিচ পেলাই যোৱাক লৈ গৌৰৱবোধ কৰে। শ্ৰীমোদীয়ে ২০৩৬ চনত দেশত অলিম্পিক প্ৰতিযোগিতাৰ আয়োজন কৰাৰ আকাংক্ষাৰ কথা দোহাৰি আন্তঃৰাষ্ট্ৰীয় নেতৃত্ব বহন কৰাৰ বাবে দেশৰ প্ৰস্তুতিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ দুদিনীয়া গুজৰাট ভ্ৰমণকালত ৮২ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

০০০০০০

দেশত আজিৰে পৰা বিকশিত কৃষি সংকল্প অভিযান আৰম্ভ হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ উপস্থিতিত ওড়িশাৰ পুৰীৰ পৰা এই অভিযান আৰম্ভ কৰা হ'ব। অহা ১২ জুনলৈ চলিবলগীয়া এই অভিযানত সমগ্ৰ দেশৰ ৭০০ৰো অধিক জিলা সামৰি লোৱা হ'ব। কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই ১৫ দিনীয়া অভিযানৰ সময়ত শ্ৰীচৌহানে কমেও ২০খন ৰাজ্য ভ্ৰমণ কৰি কৃষক আৰু বিজ্ঞানীসকলক উৎসাহিত কৰাৰ উপৰি তেওঁলোকৰ সৈতে প্ৰত্যক্ষ আলোচনাত মিলিত হ'ব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ভ্ৰমণ কৰিবলগীয়া ৰাজ্যকেইখন হৈছে অসম, মেঘালয়, কৰ্ণাটক, তামিলনাডু, তেলেংগানা, অন্ধ্ৰ প্ৰদেশ, বিহাৰ, ছত্তিশগড়, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, দিল্লী, হাৰিয়ানা, পঞ্জাব, মহাৰাষ্ট্ৰ, জম্মু, ৰাজস্থান আৰু গুজৰাট। এই অভিযানৰ জৰিয়তে বিভিন্ন প্ৰান্তত হোৱা খাৰিফ শস্যৰ বাবে অত্যাধুনিক প্ৰযুক্তি বিষয়ে কৃষকসকলক অৱগত কৰোৱা আৰু চৰকাৰৰ কৃষি আঁচনি তথা নীতিসমূহৰ ক্ষেত্ৰত সজাগতা সৃষ্টি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই অভিযানৰ অধীনত বিভিন্ন গোটে কৃষকসকলক শস্য নিৰ্ধাৰণ আৰু নিৰ্দিষ্ট পৰিমাণৰ সাৰ ব্যৱহাৰৰ বাবে ভূমি স্বাস্থ্য পত্ৰৰ ব্যৱহাৰৰ বিষয়ে অৱগত কৰাৰ উপৰি কৃষক আধাৰিত উদ্ভাৱন আৰু গৱেষণাৰ ক্ষেত্ৰত তেওঁলোকৰ মতামত সংগ্ৰহ কৰিব।

০০০০০০

ভাৰতে সন্ত্ৰাসবাদৰ প্ৰতি পাকিস্তানে দি অহা সমৰ্থনক বিশ্বজুৰি উদঙাই দেখুওৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু এই উদ্দেশ্যে গঠন কৰা সৰ্বদলীয় প্ৰতিনিধি দলে বিভিন্ন দেশ ভ্ৰমণ কৰি সন্ত্ৰাসবাদনৰ বিৰুদ্ধে নতুন দিল্লীৰ শূন্য সহনশীলতাৰ বাৰ্তাৰ বিষয়ে অৱগত কৰিছে। ডি এম কে সাংসদ কানিমুড়ি কৰুণানিধিৰ নেতৃত্বত প্ৰতিনিধি দলটো কালি গ্ৰীচত উপস্থিত হয়। শ্লোভেনিয়া আৰু ৰাছিয়া ভ্ৰমণ সমাপ্ত কৰি গ্ৰীচলৈ যোৱা দলটোৱে দেশখনৰ শীৰ্ষ বিষয়াসকলক সাক্ষাৎ কৰি সীমান্তৰ সিপাৰৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ শূন্য সহনশীলতাৰ নব্য নীতিত আলোকপাত কৰে।

প্ৰতিনিধি দলটোৱে কালি শ্লোভেনিয়াৰ নেচনেল এছেম্বলিত দেশখনৰ ৰাষ্ট্ৰীয় পৰিষদৰ অধ্যক্ষ মাৰ্ক লোট্ৰিকক সাক্ষাৎ কৰে। দলটোৱে অপাৰেচন সিন্দুৰৰ পাছৰ স্বাভাৱিক পৰিস্থিতিৰ বিষয়ে অৱগত কৰায়। তেওঁলোকে লগতে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অস্থায়ী সদস্য হিচাপে গোলকীয় শান্তিৰ প্ৰসাৰ আৰু সন্ত্ৰাসবাদক দ্ব্যৰ্থহীন ভাৱে গৰিহণা দিয়াৰ বাবে শ্লোভেনিয়াৰ ভূমিকাৰ শলাগ লয়। প্ৰতিনিধি দলটোৱে শ্লোভেনিয়াৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক সংস্থাৰ অধ্যক্ষ মাৰ্জন চেটিং আৰু সংস্থাটোৰ সদস্যসকলকো সাক্ষাৎ কৰে।

০০০০০০

মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতিৰ সৌহাৰ্দ্যপূৰ্ণ সমাধানৰ বাবে ৰাজ্যখনৰ নাগৰিক সমাজ সংগঠনৰ শীৰ্ষ সংস্থা **কো-অৰ্ডিনেটিং কমিটী অন মণিপুৰ ইণ্টিগ্ৰিটী** চমুকৈ কোকোমিৰ সাতজন সদস্যৰ এটা প্ৰতিনিধি দলে কালি নতুন দিল্লীত গৃহ মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। মন্ত্ৰালয়ে কোকোমিৰ প্ৰতিনিধি দলটোক এই সপ্তাহৰ আৰম্ভণিতে বিশেষ আমন্ত্ৰণ দিছিল। মন্ত্ৰালয়ৰ হৈ উত্তৰ-পূব পৰিক্ৰমা উপদেষ্টা এ কে মিশ্ৰ আৰু যুটীয়া সঞ্চালক ৰাজেশ কামলেই প্ৰতিনিধিত্ব কৰে। প্ৰতিনিধিৰ দলটোৱে যোৱা ৩ মে'ত ইম্ফলত আয়োজিত বিশাল গণ সমাবেশত গ্ৰহণ কৰা প্ৰস্তাৱ সন্দৰ্ভত গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ বিষয়াসকলৰ সৈতে আলোচনা কৰে। বৈঠকত শেহতীয়া গোৱালটাবিৰ ঘটনাত সেনাবাহিনীৰ এটা দলে মণিপুৰ ৰাজ্যিক পৰিবহন বিভাগৰ বাছৰ পৰা মণিপুৰ শব্দটো আঁতৰাবলৈ ৰাজ্যখনৰ সাংবাদিকৰ এটা দলক নিৰ্দেশ দিয়াক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ বিষয়ে আলোচনা কৰা হয়। সংস্থাটোৱে লগতে এই সংঘৰ্ষক লৈ কোকোমি আৰু অন্যান্য অংশীদাৰসকলৰ স্থিতি সন্দৰ্ভতো আলোকপাত কৰে।

০০০০০০

ভাৰতীয় ৰেলৱে চলিত বৰ্ষৰ ২৮ জুনৰ পৰা হ'বলগীয়া ৰোমাঞ্চকৰ 'ভাৰত ভূটান মিষ্টিক মাউণ্টেইন টুৰ' উপলক্ষেসভাৰত গৌৰৱ শীত তাপ নিয়ন্ত্ৰিত পৰ্যটন ৰে'ল চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ৰেলৱে ব'ৰ্ডৰ তথ্য আৰু প্ৰচাৰ বিভাগৰ কাৰ্যবাহী সঞ্চালক দিলীপ কুমাৰে আকাশবাণী নিউজৰ সৈতে হোৱা কথা-বতৰাত কয় যে দিল্লীৰ চফদৰজং ষ্টেচনৰ পৰা আৰম্ভ হোৱা ১৪ দিনীয়া এই যাত্ৰাত পৰ্যটকসকলক প্ৰথমে গুৱাহাটী, শ্বিলং, চেৰাপুঞ্জী হৈ পশ্চিম বংগৰ হাছিমাৰা ৰে'লৱে ষ্টেচন অভিমুখে লৈ যোৱা হব। সেই স্থানৰ পৰাই পৰ্যটকসকলক ভূটানত প্ৰৱেশৰ বাবে স্থলপথেৰে ফুয়েনটছলিঙলৈ লৈ যোৱা হ'ব। তেওঁ লগতে কয় যে এই ভ্ৰমণৰ সময়ত পৰ্যটকসকলে প্ৰাকৃতিক সৌন্দৰ্য্য আৰু পবিত্ৰ স্থানৰ বাবে পৰিচিত থিম্ফু, পুনাখা আৰু পাৰোৰ অন্বেষণ কৰিব। ভ্ৰমণসূচী অনুসৰি পৰ্যটকসকলক আন কেইবাটাও স্থান পৰিদৰ্শন কৰোৱা হব। ৰে'লখনত ১৫০ জন যাত্ৰী বহিব পৰা ক্ষমতা আছে বুলি তেঁও জানিবলৈ দিয়ে। পৰ্যটকসকলে আই আৰ চি টি চিৰ ৱেবছাইটৰ জৰিয়তে ভ্ৰমণৰ বুকিং কৰিব পাৰিব।

০০০০০০

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙৰ সভাপতিত্বত কালি নতুন দিল্লীত বস্ত্ৰ মন্ত্ৰালয়ে কপাহ আৰু মানৱ সৃষ্ট আঁহ বা এম এম এফ সম্পৰ্কে শেহতীয়াকৈ গ্ৰহণ কৰা পদক্ষেপসমূহৰ অগ্ৰগতি পৰ্যালোচনাৰ বাবে বস্ত্ৰ পৰামৰ্শদাতা গোটৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত গিৰিৰাজ সিঙে কপাহ উৎপাদনশীলতা অভিযানৰ ওপৰত আলোকপাত কৰে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ফাইভ-এফ দৃষ্টিভংগীৰ সৈতে মিল থকাকৈ কপাহৰ উৎপাদনশীলতা আৰু গুণগত মান বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে উদ্ভাৱন আৰু সহযোগিতাই কৃষি উৎপাদনশীলতা বৃদ্ধি কৰি লাভাম্বিত কৰিব বুলি আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সকলো অংশীদাৰক উদ্যোগটোৰ চাহিদা আৰু যোগানৰ মাজত থকা পাৰ্থক্যৰ বিস্তৃত বিশ্লেষণ কৰিবলৈ আহ্বান জনায়।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ অন্তিমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৬ উইকেটত পৰাস্ত কৰে। এই জয়ৰ সুবাদত বেংগালুৰুৱে এই বছৰৰ আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষ দুটা স্থানত স্থান লাভ কৰিছে। তালিকাত পঞ্জাব শীৰ্ষ স্থানত আছে। কাইলৈ প্ৰথমখন কোৱালিফায়াৰ খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে পঞ্জাবৰ বিৰুদ্ধে খেলিব। আনহাতে, তৃতীয় স্থানত থকা গুজৰাট টাইটানছে অহা শুকুৰবাৰে মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ২২৮ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰপ্ৰাপ্ত অধিনায়ক জিতেশ শৰ্মাৰ ৮৫ আৰু বিৰাট কোহলীৰ ৫৪ ৰাণৰ সহায়ত ১৮ অভাৰ ৪টা বলতে মাত্ৰ চাৰিটা উইকেট হেৰুৱাই ২৩০ ৰাণ কৰে। জিতেশ শৰ্মাক প্লেয়াৰ অব দা মেচ হিচাপে ঘোষণা কৰা হয়। মায়ংক আগৰৱালেও ৪১ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। লক্ষ্ণৌৰ হৈ উইলিয়াম অ'ৰুৰ্কে দুটা উইকেট দখল কৰাৰ লগতে আকাশ মহাৰাজ সিং আৰু আবেশ খানে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে লক্ষ্ণৌৱে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ২২৭ ৰাণ সংগ্ৰহ কৰে। অধিনায়ক ঋষভ পণ্টে সৰ্বাধিক ১১৮ ৰাণ কৰে। উল্লেখযোগ্য যে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে এই প্ৰতিযোগিতাত তৃতীয় বাৰৰ বাবে ২০০তকৈও অধিক ৰাণৰ লক্ষ্য অতিক্ৰম কৰে।

০০০০০০

**সমাপ্ত**